# Class 10th Assamese

## পাঠ:১

# বৰগীত -শ্ৰী শ্ৰী মাধৱদেৱ

---

ভাৱ বিষয়ক :

১। চমুকৈ প্ৰশ্নৰ উত্তৰ দিয়া :

(ক) ... নেৰিবা বান্ধৱ মোক জীৱনে মৰণে । " –কবিয়ে জীৱনেমনে নেৰিবৰ বাবে কাক অনুৰোধ কৰিছে ?

উত্তৰঃ কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে নাৰায়ণ ' ( ভগৱানক অনুৰোধ কৰিছে ।

( খ ) সনক , সনন্দ যোগী যাহাকু ধিয়ায় । —সনক , সনন্দ আদি যোগীসকলে কাক ধ্যান কৰে বুলি কৈছে ?

উত্তৰঃ সনক , সনন্দ আদি যোগীসকলে নাৰায়ণক ধ্যান কৰে বুলি কৈছে ।

( গ ) কবি কিহত আতুৰ হোৱা বুলি কৈছে ?

উত্তৰঃ কবি বিষয় বন্ধনত আতুৰ হোৱা বুলি কৈছে ।

( ঘ ) বৰগীতটি কোনে ৰচনা কৰা ?

উত্তৰঃ বৰগীতটি মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা ।

( ঙ ) বৰগীতটি কি ৰাগত বন্ধা আছে ?

উত্তৰঃ বৰগীতটি বসন্তৰাগত বন্ধা আছে ।

( চ ) কবিয়ে বান্ধব'বুলি কাক সম্বোধন কৰিছে ?

উত্তৰঃ কবিয়ে বান্ধব ' বুলি নাৰায়ণক সম্বোধন কৰিছে ।

( ছ ) মোহ - পাশ'মানে কি ?

উত্তৰঃ মোহ - পাশ ' মানে মায়াৰ জৰী অৰ্থাৎমায়াৰ বান্ধোন ।

২। বৰগীতটিৰ মূলভাব লিখা ।

উত্তৰঃ মাধৱদেৱ বিৰচিত হৰি হেৰোৰে বাপ পশিলো  শৰণে শীৰ্ষক প্ৰাৰ্থনামূলক বৰগীতটো দাস্য ভক্তিৰ উৎকৃষ্ট নিদৰ্শন । বৈষ্ণৱ ধৰ্মৰ ইষ্ট দেৱতা বিষ্ণুৰ অংশ স্বৰূপ শ্ৰীকৃষ্ণৰ ওচৰত শৰণ লৈ সংসাৰৰ পৰা মুক্তি পোৱাৰ কথা এই বৰগীতটোত প্ৰকাশ পাইছে ।

ভগৱানৰ ওচৰত শৰণ লোৱা কবিয়ে তেওঁক জীৱনে মৰণে নেৰিবলৈ ভগৱানক কাকুতি কৰিছে । যোগসিদ্ধ পুৰুষসকলে যাক ধ্যান কৰে , সমস্ত বেদে যাক বিচাৰি । নাপায় , সহস্ৰ মুখ অনন্তই যাৰ গুণ গাই শেষ কৰিব নোৱাৰে , সেইজনা পৰম পুৰুষৰ মহিমা কবিৰ দৰে অধমে জানিবলৈ অপৰাগ । বিষয় - বাসনাত মত্ত কবিয়ে ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰি ভগৱানৰ চৰণত শৰণ লৈছে । ভকতৰ ত্ৰাণকৰ্তা ভগৱান । সেয়ে কবিয়ে ভগৱানৰ ওচৰত কাতৰভাৱে তেওঁক সংসাৰৰ মায়া মোহৰৰ পৰা পৰিত্ৰাণ কৰিবলৈ প্ৰাৰ্থনা কৰিছে ।

ভগৱানৰ দাসৰূপে নিজকে প্ৰতিপন্ন কৰা এই বৰগীতটোত কবিয়ে তেওঁক সংসাৰৰ যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ ভগৱানক খাটিছে । নিজকে ভগৱানৰ চৰণত সমৰ্পণ কৰি এই সংসাৰৰ মায়াৰ বন্ধনৰ পৰা মুক্তি হ'বলৈ এইদৰে প্ৰাৰ্থনা কৰাৰ মাজেৰে কবিৰ ভক্তিধৰ্মৰ প্ৰতি পৰাকাষ্ঠা প্ৰকাশ পাইছে ।

৩। বৰগীতটিৰ ৰচকৰ চমু পৰিচয় দিয়া ।

উত্তৰঃ বৰগীতটোৰ ৰচক হ'ল শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয়তম শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ । কবি মাধৱদেৱৰ জন্ম হৈছিল লখিমপুৰৰ নাৰায়ণপুৰৰ লেটেকু পুখুৰীত ১৪৮৯ খ্ৰীষ্টাব্দত । তেখেতৰ পিতৃ আছিল গোবিন্দগিৰী আৰু মাতৃৰ নাম । আছিল মনোমা।বৰ্তমান বাংলাদেশৰ বাকাতৰাজেন্দ্ৰ অধ্যাপকৰ টোলত গুৰুজনাই । শিক্ষা গ্ৰহণ কৰিছিল । ১৫২২ চনত তেখেতে শ্ৰীমন্ত শংকৰদেৱক লগ পায় আৰু শংকৰদেৱে প্ৰৱৰ্তন কৰানৱ - বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি ধৰ্মচৰ্চাত মনোনিবেশ কৰে ।

কবিমাধৱদেৱৰ সাহিত্যিক কৰ্মৰাজিতলতদিয়া ভাগত ভাগ কৰি দেখুৱাব পাৰি -

( ক ) আখ্যানমূলক ৰচনাঃ আদিকাণ্ড ৰামায়ণ আৰুৰাজসূয় কাব্য ।

( খ ) তত্বমূলক গ্ৰন্থ নামঘোষা , জন্ম ৰহস্য , ভক্তি ৰত্নাৱলী আৰু নামমালিকা ।

( গ ) নাটকঃঅৰ্জুনভঞ্জন , চোৰধৰা , পিম্পৰা গুচোৱা , ভোজন বেহাৰ আৰুভূমি লেটোৱা ।

( ঘ ) গীতঃ বৰগীত আৰু ভটিমা ।

নামঘোষাহ'ল কবি মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ । ইয়াত এহেজাৰ ঘোষা থকা বাবে এইখনক হেজাৰী ঘোষাও বোলা হয় । মাধৱদেৱৰ বৰগীতৰ সংখ্যা হ'ল ১৫৭ টা । মাধৱদেৱৰ বৰগীতৰ মূলভাব বাৎসল্য যদিও দাস্য ভাৱৰ বৰগীতো ৰচনা কৰিছে । বৰ্ণনাৰ সজীৱতা , ভাষাৰ মাধুৰ্য , কবিপ্ৰাণৰ উচ্ছ্বাস আদি সাৰ্থকৰূপত প্ৰকাশ পাইছে বাবেই সংখ্যাত কম হলেও তেওঁৰ সাহিত্যকৰ্মই শংকৰদেৱৰ পিছতেই তেওঁৰ স্থান নিৰ্ণয় কৰিছে । অৰ্থাৎ অসমীয়া সাহিত্যত ' জালিকটা পুষ্পহাৰ'ৰ দৰে তেওঁৰ নাম চিৰস্মৰণীয় । এইগৰাকী মহান সাহিত্যিকৰ ১০৭ বছৰ বয়সত ১৫৯৬ খ্ৰীষ্টাব্দত কোচবিহাৰৰ ভেলা মধুপুৰত দেহাৱসান ঘটে ।

৪। ব্যাখ্যা কৰাঃ

( ক ) " সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা ।
অধমে জানিবো কেনে তোমাৰ মহিমা । "

উত্তৰঃ ব্যাখ্যেয় বৰগীতফাঁকি  আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ ৰিচিত 'হৰি হেৰৰে বাপ পশিলোশৰণে ' শীৰ্ষক বৰগীতটিৰ পৰা তুলি দিয়া হৈছে । বৰগীতাকিৰ মাজেৰে কবিয়ে ভগৱানৰ মহিমা প্ৰকাশ কৰিছে । বৈষ্ণৱ ধৰ্মৰ ইষ্ট দেৱতা বিষ্ণুৰ অংশ স্বৰূপ শ্ৰীকৃষ্ণৰ ওচৰত শৰণ লৈ সংসাৰৰ পৰা মুক্তি পোৱাৰ কথা এই বৰগীতটোত প্ৰকাশ কৰিছে । ভগৱান শ্ৰীকৃষ্ণৰ মহিমা অপাৰ । সনক , সনন্দ আদি যোগসিদ্ধ পুৰুষ সকলেও যিজনক ধ্যান কৰে , সকলো বেদে যাক বিচাৰি নাপায় , সহস্ৰমুখ অনন্তই যাৰ গুণ গাই শেষ কৰিব নোৱাৰে সেইজনা অৱতাৰী পুৰুৰ মহিমা কবিৰ দৰে অধমে কিদৰে জানিব ।

এইদৰে , ভগৱানৰ অপাৰ মহিমা সাধাৰণ লোক দূৰৰ কথা যোগী পুৰুষ , বেদৰো যে জ্ঞাতনহয় , তাকে কবিয়ে প্ৰকাশ কৰিছে ।

( খ ) " আতুৰ ভৈলোহো হৰি বিষয় বিকলে ।
কৰিয়ো উদ্ধাৰ মোক চৰণকমলে । "

উত্তৰঃ ব্যাখ্যেয় বৰগীতাকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ বিৰচিত 'হৰি হেৰৰে বাপ পশিলো শৰণে' শীৰ্ষক বৰগীতটোৰ পৰা তুলি দিয়া হৈছে ।

সংসাৰৰ বিষয় বাসনাত আতুৰ হৈপৰা কবিয়ে তাৰপৰা উদ্ধাৰ পাৱলৈ ভগৱানৰ । চৰণ কমলত পৰিছে ।

সংসাৰৰ মায়া - মোহৰ জৰী ডাল অতি বিচিত্ৰ । তাৰ পৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ পথ , ভগৱানৰ চৰণত শৰণ লোৱা । যোগী পুৰুষ সকলৰ ধ্যানৰ বিষয় , সমস্ত বেদৰ বিচাৰ্য , সহস্ৰমুখ অনন্তই যাৰ গুণ গাই অন্ত কৰিব নোৱাৰে সেইজনা পৰম পুৰুষৰ । মহিমা কবিৰ দৰে সাধাৰণ মানুহে ধৰিব নোৱাৰে । সংসাৰৰ দুখ যাতনাই কবিক অতিষ্ঠ কৰি তুলিছে । সেয়ে তেওঁতাৰপৰা পৰিত্ৰাণ বিচাৰি , ভগৱানক কাকুতি কৰিছে । ভগবানে যেন কবিক তেওঁৰ চৰণ কমলত ঠাই দি উদ্ধাৰ কৰে । এইদৰে ভগৱানৰ ওচৰত নিজকে সমৰ্পণ কৰি উদ্ধাৰ লভাৰ বাসনা বৰগীত ফাঁকিৰ মাজেৰে প্ৰকাশ পাইছে ।

( গ ) " তোমাৰ চৰণ দুই মোৰ মহা ধন ।
ভকত জনেৰ নিজ তুমিয়ে জীৱন । "

উত্তৰঃ প্ৰশ্নোত বৰগীতাকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট মহাপুৰুষ মাধৱদেৱ বিৰচিত ' হৰি হেৰৰে বাপ পশিলো শৰণে' শীৰ্ষক বৰগীতটোৰ পৰা তুলি দিয়া হৈছে । ভগৱানেই ভকতৰ ত্ৰাণকৰ্তা , তেওঁৰ চৰণ যুগলেই যে ভকতৰ বাবে পৰম ধন তেনে এটি ভাৱ প্ৰকাশৰ বাবেই ব্যাখ্যেয় বৰগীতাকিৰ অৱতাৰণা কৰা হৈছে । যোগসিদ্ধ পুৰুষসকলেও যাক ধ্যান কৰে , সমস্ত বেদৰ যি বিচাৰ্য বিষয় , সহস্ৰমুখ । অনন্তই যাৰ গুণ গাই অন্তকৰিব নোৱাৰে , তেনেজনা অপাৰ মহিমাৰ গৰাকীভগৱানৰ মহিমা কবিৰ দৰে সাধাৰণৰ ঢুকি পোৱাৰ আঁতৰত । বিষয়বাসনাত আতুৰ হৈ পৰা লোকৰ মুক্তিৰ একমাত্ৰ পথ হ'ল ভগৱানৰ চৰণত শৰণ লোৱাটো । কবিৰ বাবেও সংসাৰখন বিৰক্তিকৰ হৈপৰিছে । সেয়ে তেওঁ ভগৱানৰ চৰণত তেওঁৰবাবেঅলপমান । ঠাই বিচাৰিছে । ভকতৰ বাবে ভগবানৰ চৰণযুগলেই পৰম ধনৰ দৰে । ভকতৰ বাবে ভগৱানেই একমাত্ৰ জীৱন স্বৰূপ । এইদৰে ভগৱানেই যে মুক্তিৰ পথ সেয়া এই বৰগীতাকিৰ মাজেৰে প্ৰকাশ পাইছে ।

৫। " সনক সনন্দ যোগী যাহকে ধিয়ায় ,
সকল নিগমে যাক বিচাৰি নাপায় । " —ইয়াত কবিয়ে কি প্ৰসংগত , কাৰ বিষয়ে কিয় , এনেদৰে কৈছে চমুকৈ লিখা ।

উত্তৰ : ভগৱানৰ অপাৰ মহিমা প্ৰকাশ কৰাৰ প্ৰসংগত , ভগৱানৰ বিষয়ে এনেদৰে কৈছে ।

ভগৱানক পোৱাটো সহজ নহয় । সনক সনন্দ আদি যোগসিদ্ধ পুৰুষ সকলেও যিজন পৰম পুৰুষকক ধ্যান কৰে , সকলো বেদ অধ্যয়ন কৰিলেও যাক বিচাৰি পোৱা নাযায় , তেওঁৰ মহিমা অপাৰ । সহস্ৰমুখ অনন্তইও যাৰ গুণ গাই শেষ কৰিব নোৱাৰে , সেইজনা পুৰুষৰ মহিমা মাধৱদেৱেও নাজানে আৰু তেওঁ জনাতো সম্ভৱেই নহয় বুলি কবিয়ে নিজেই কৈছে । সংসাৰৰ বিষয়বাসনাত আতুৰ হৈ তাৰপৰা মুক্তি লভিবলৈ কবিয়ে ভগৱানৰ চৰণত শৰণল'ব বিচাৰিছে । কিয়নো ভকতৰ বাবে ভগবানেই । একমাত্ৰ জীৱনস্বৰূপ । গতিকে এনেজনা পৰমপুৰুষ যিজনৰ মহিমা যোগী পুৰুষ বেদেও বিচাৰি নাপায় তেওঁৰ চৰণত শৰণ লৈ সংসাৰৰ পৰা মুক্তি পাব বুলি দৃঢ় বিশ্বাস হৈছে । সেইবাবেই কৰিয়ে প্ৰশ্নোদ্ধত বৰগীতফাকিত কৈছে ।

৬। বৰগীতৰ চাৰিটা লক্ষণৰ বিষয়ে লিখা ।

উত্তৰঃ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ । আৰু প্ৰসাৰৰ উদ্দেশ্যে ভগৱানৰ লীলা মাহাত্ম্য প্ৰকাশক এক শ্ৰেণীৰ উচ্চ আধ্যাত্মিক ভাৱাপন্ন গীত ৰচনা কৰে । এই গীতবোৰকে বৰগীত আখ্যা দিয়া হয় । বৰগীতৰ । কেতবোৰ সুকীয়া সুকীয় লক্ষণ আছে , যাৰবাবে এই গীত আন গীতৰ পৰা পৃথক ।
বৰগীতৰ তেনে চাবিটা লক্ষণ হল—

( ক ) বৰগীতবোৰ ৰাগ - তালযুক্ত শাস্ত্ৰীয় গীত । ( খ ) বৰগীত কৃত্ৰিম ব্ৰজাৱলী ভাষাত ৰচিত । ( গ ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে লিখা উচ্চ আধ্যাত্মিক ভাৱধাৰাৰ গীতকহেবৰগীত আখ্যা দিয়া হয় ।

( ঘ ) ভক্তিৰস প্ৰকাশক বৰগীতবোৰত দাস্য , সখ্য , বাৎসল্য , শান্ত-ৰসৰো প্ৰকাশ ঘটিছে ।

ভাষা বিষয়ক

১। তলত দিয়া শব্দকেইটাৰ আধুনিক ৰূপ লিখাঃ
নপাৰন্ত , কেনে ভৈলোহো , তুমিসে , জনেৰ , কহয় ।

উত্তৰঃ

| | | |
|---|---|---|
| নপাৰন্ত | – | নোৱাৰে । |
| কেনে | – | কেনেকৈ । |
| ভৈলোহো | – | হ'লো । |
| তুমিসে | – | তুমিহে । |
| জনেৰ | – | জনৰ । |
| কহয় | – | কয় । |

২। ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা ।

উত্তৰ : অসমীয়া সাহিত্যত বৈষ্ণৱ গুৰু শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীত আৰু অংকমালাৰ ব্যৱহৃত ভাষাটো ব্ৰজবুলি'বা ব্ৰজাৱলী'নামে জনাজাত । পঞ্চদশ শতাব্দীৰ শেষভাগৰ পৰা উনবিংশ শতাব্দীৰ শেষ ভাগলৈ অসমীয়া বৈষ্ণৱ সন্ত মহন্তসকলে এই ভাষাত গীত - নাটৰচনা কৰিছিল ।

( ক ) ব্ৰজবুলি ভাষা বা ব্ৰজাৱলী ভাষাত সংস্কৃত শব্দৰ প্ৰয়োগ বহুলভাৱে দেখা যায় ।

খ ) এই ভাষাত আৰবী , ফাৰ্চী আদি বিদেশী ভাষাৰ শব্দও দেখা যায় ।

( গ ) অসমীয়া ব্ৰজৱলীভাষাত বিশিষ্ট স্বৰধ্বনি মাত্ৰ ছয়টা ই । , । এ । , । আ । , । অ , । ও , আৰু । উ ।

( ঘ ) ব্ৰজাৱলী ভাষাত দ্বিস্বৰ আৰু ত্ৰিস্বৰৰ প্ৰয়োগ প্ৰচুৰ ।

( ঙ ) ' ঙ ' ধ্বনিক বাদ দি আটাইকেইটা বিশিষ্ট ব্যঞ্জনধ্বনি অসমীয়া ব্ৰজাৱলীত আদি , মধ্য , আৰু অন্তিম স্থানত উচ্চাৰিত হয় ।

( চ ) প্ৰাচীন মৈথেলী , অবধী , ভোজপুৰী আদিৰ দৰে ব্ৰজাৱলীটো বিশেষণ অথবা ক্ৰিয়া পদত স্ত্ৰী প্ৰত্যয় যোগ নহয় , মাথো বিশেষ্যতহে হয় ।

( ছ ) ব্ৰজৱলীত বৰ্তমান , অতীত আৰু ভবিষ্যত — ক্ৰিয়াৰ তিনিওটি কালৰ প্ৰয়োগ কৰা হয়।

( জ ) বহুবচনৰ চিন স্বৰূপে ‘ সব ’ , সকল ’ , ‘ গণ ’ প্ৰত্যয়ৰ প্ৰয়োগ কৰা হয় ।

( ঝ ) অসমীয়া বৈষ্ণৱ গুৰুসকলে প্ৰয়োগ কৰা ব্ৰজাৱলীত সংখ্যা শব্দৰ প্ৰয়োগত সীমাবদ্ধতা পৰিলক্ষিত হয় । সংখ্যা শব্দৰ ভিতৰত এক , দুই , তিনি পাঞ্চ , ছয় , সাত ইত্যাদি ।
( ঞ ) প্ৰত্যেক ভাষাৰ সৰ্বনামত সেই ভাষাৰ বিশেষত্ব পৰিলক্ষিত হয়।ব্ৰজাৱলীত । অস্মদ , যুষ্মদ , ওদ , য়দ , এতদ , অদম , কিম ইত্যাদি সৰ্বনামৰ ৰূপৰ উপৰি আন কিছুমান সৰ্বনামৰ ৰূপ পোৱা যায় ।

( ট ) ব্ৰজাৱলীৰ ভাষা ছন্দ মাত্ৰিক । পদান্তৰ অকাৰ লোপ নহয় । ছন্দ বৈচিত্ৰ্য দৃষ্টিৰে ব্ৰজাৱলী সাহিত্য অতি চহকী ।
মুঠতে কৃত্ৰিম সাহিত্যিক ভাষা ব্ৰজাৱলী মৈথিলী , ভোজপুৰী , নেৱাৰী আৰু কামৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণত সৃষ্টি হৈছে । কৃত্ৰিম ভাষা হোৱা বাবে ইয়াত প্ৰভাৱ পৰা ভাষাৰ বৈশিষ্ট্যবোৰ দেখা যায় ।